নিৰ্বাচনৰ আগমুহূৰ্তত বিশেষকৈ ২০১৬ চনৰ পাছৰ পৰা বিৰোধী দল বৰদৈচিলাৰ দৰে আহে, এনে অনুভৱ হয় যেন এইবাৰ বিৰোধীৰ বৰদৈচিলাই শাসকপক্ষক উৰুৱাই নিব। কিন্তু অৱশেষত বিৰোধীহে নিশ্চিহ্ন হয়।

— অগপ সভাপতি, মন্ত্ৰী অতুল বৰা

নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ❑ যোৰহাট সংস্কৰণ ❑ মুঠ পৃষ্ঠা ১২

ফোন নং ঃ ০৩৭৬ —২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ চতুৰ্দশ বছৰ সংখ্যা ২০৭ বৃহস্পতিবাৰ ২৮ জেঠ ১৯৪৭ শক ১২ জুন ২০২৫ চন ASOMIYA KHABAR JORHAT THURSDAY 12 JUNE 2025 দাম ঃ ৭.০০ টকা



প্ৰচণ্ড গৰমৰ পৰা ৰক্ষা পাবলৈ এজাক কিশোৰৰ জলকেলি

## কানৈ কলেজত গছে গছে 'কিউ আৰ ক'ড' অভিযান

ষ্টাফ্ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১১ জুন ঃ বিশ্ব পৰিৱেশ দিৱস উপলক্ষে ঐতিহ্যপূৰ্ণ ডিএইছ্এছ কানৈ মহাবিদ্যালয়ে সকলো দল-সংগঠন-ব্যক্তিক প্ৰকৃতিক ভালপোৱাৰ আন্দোলন গঢ়ি তুলিবলৈ আহ্বান জনাইছে। এনে দিৱসৰ অংশ হিচাপে মহাবিদ্যালয়খনে এইবছৰ এক ব্যতিক্ৰমী কাৰ্যসূচী হিচাপে 'গছে গছে কিউ আৰ ক'ড' অভিযান পালন কৰিব আৰু সকলো দল-সংগঠন, ব্যক্তিক এনে ব্যতিক্ৰমী কাৰ্যসূচী গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। এইবছৰ মহাবিদ্যালয় চৌহদৰ প্ৰতিজোপা গছত কিউ আৰ ক'ড সংযুক্ত কৰাৰ ব্যৱস্থা কৰিছে, যাতে ছাত্ৰ-ছাত্ৰীৰ লগতে যিকোনো ব্যক্তিয়ে স্কেন কৰিলে সেই গছজোপাৰ বিষয়ে তথ্য লাভ কৰিব পাৰে। প্ৰতিজোপা গছ-গছনিৰ নাম সকলোৰে জানিব পৰাকৈ গছ-গছনিক প্ৰযুক্তিৰ মাধ্যমেৰে চিনাক্ত কৰি প্ৰত্যেকজোপা গছত 'কিউ আৰ ক'ড' লগাই গছ-বিৰিখক ভালপোৱাৰ আন্দোলনত ভাগ ল'বলৈ আহ্বান জনাইছে মহাবিদ্যালয়খনে। এক প্ৰেছ বিবৃতিত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই জনায় যে এনে 'কিউ আৰ ক'ড'ৰ যোগেদি গছ-গছনিৰ নামাকৰণ কৰিলে উঠি অহা প্ৰজন্মক প্ৰকৃতিক ভালপোৱাৰ অনুপ্ৰেৰণা যোগাব পাৰে। কিউ আৰ ক'ডত সংযোগকাৰী ব্যক্তিৰ নাম-ঠিকনা, প্ৰকৃতিক ভালপোৱাৰ বাণী সংযোগ কৰিব পাৰিলে ম'বাইলৰ যোগেদি অনুসন্ধিৎসু লোকে স্কেন কৰি গছজোপাৰ বিষয়ে জানিব পাৰিব আৰু প্ৰকৃতিক ভালপোৱাৰ বাণী সম্পৰ্কে অৱগত হ'ব। কানৈ মহাবিদ্যালয়ে এই ব্যতিক্ৰমী কাৰ্যসূচীৰ অংশ হিচাপে মহাবিদ্যালয়খনৰ চৌহদত থকা গছ-গছনিক কিউ আৰ ক'ডৰ সংযোজন কৰাৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। প্ৰতিজোপা গছত কিউ আৰ ক'ড সংযোজন কৰি গছজোপাৰ বৈজ্ঞানিক নাম, থলুৱা নামৰ লগতে গছজোপাৰ বিষয়ে ব্যাখ্যাও আগবঢ়োৱাৰ কাৰ্যসূচী লৈছে। আনহাতে, বিশ্ব পৰিৱেশ দিৱস উপলক্ষে মহাবিদ্যালয়খনৰ চৌহদত 'গ্ৰীন কৰ্ণাৰ' শীৰ্ষক এক 'গ্ৰীণ চেলফি স্পট'ৰ ব্যৱস্থা কৰিছে। মহাবিদ্যালয় চৌহদত থকা কেইবাটাও জিৰণী-ঘৰত স্থায়ীকৈ 'বিশ্ব পৰিৱেশ দিৱস', 'বিশ্ব জৈৱ-বৈচিত্ৰ্য দিৱস' আদি নামকৰণ কৰি প্ৰকৃতিক ভালপোৱাৰ এক নীৰৱ আন্দোলন গঢ়ি তোলাৰ প্ৰয়াস চলাইছে। এই জিৰণী-ঘৰসমূহত যিসকলে জিৰণি লয় সেইসকলে যাতে সেই মূহূৰ্তটোত প্ৰকৃতিক ভালপোৱাৰ, পৰিৱেশক ভালপোৱাৰ অনুভৱ কৰিব পাৰে। উল্লেখ্য যে কানৈ মহাবিদ্যালয়ে কোনো দেওবাৰ, বন্ধদিন, আনকি বিশ্বত বিভীষিকাৰ সৃষ্টি কৰা ক'ভিডকালীনৰ সময়তো এদিনো নোৰোৱাকৈ প্ৰকৃতিক ভালপোৱাৰ আন্দোলনৰ অংশ হিচাপে 'গ্ৰীন ক্লাব'ৰ উদ্যোগত মহাবিদ্যালয়খন পুৱা ৪ বজাৰ পৰা ৭ বজালৈ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি আহিছে। ইতিমধ্যে মহাবিদ্যালয়খনত চলি অহা এনে কাৰ্যসূচী ৪,০৬৪ দিন অতিক্ৰম কৰিছে। এই সময়ছোৱাত কোনো ৰ'দ-বৰষুণৰ দিনটো এদিনো স্তব্ধ হোৱাৰ উদাহৰণ নাই। মহাবিদ্যালয়খনৰ এনে ব্যতিক্ৰমী কাৰ্যসূচীক সন্মান জনাই চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানে মহাবিদ্যালয়খনক 'পৰিষ্কাৰ মহাবিদ্যালয়', 'ধূমপানমুক্ত-মহাবিদ্যালয়', 'স্বচ্ছ মহাবিদ্যালয়' হিচাপে স্বীকৃতি দিছে।

### চেপনৰ মৌড়ুমুনী ছাতিমবাতঁ বিশ্ব পৰিবেশ দিৱস পালন

আমাৰ খবৰ, চেপন ঃ চেপনৰ মৌড়ুমুনী ছাতিমবাত বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। ভাৰতীয় জনতা পাৰ্টিৰ নিজখালৈঘোগুৱা পঞ্চায়তৰ ৯ নং ৱাৰ্ড আৰু ৮৪ নং বুথৰ উদ্যোগত মৌড়ুমুনীবাসীৰ সহযোগত অনুষ্ঠিত 'বিশ্ব পৰিৱেশ দিৱস' উপলক্ষে পুৱা সমূহীয়া বৃক্ষৰোপণেৰে দিনটোৰ কাৰ্যসূচী শুভাৰম্ভ কৰে ৱাৰ্ড সদস্যা ডিম্পী গগৈ মহনে। খুনলাই মহনে আঁতধৰা অনুষ্ঠানত অৱসৰপ্ৰাপ্ত সেনা জোৱান দেৱেন মহন, লোকপ্ৰিয় মহন, বিজেপি বুথ সভাপতি বণিজ হাতীবৰুৱাকে প্ৰমুখ্যে কবি বহুকেইগৰাকী গণ্য-মান্য লোকে মৌড়ুমুনী ছাতিমবা পথৰ দুয়োকাষে একোটাকৈ গছপুলি ৰোপণ কৰে। ইয়াৰ পাছতে বিয়লি ছাতিমবা যুৱ সংঘৰ কাৰ্যালয়ত বিশ্ব পৰিৱেশ দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ঠাইতে ছবি আঁকা আৰু কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হয়। শিৱসাগৰ জিলাৰ শিশু প্ৰতিভা বিকাশ অনুষ্ঠান ৰংমন শিশু বিকাশ মঞ্চৰ সম্পাদিকা, কবি-আবৃত্তিকাৰ ধৰিত্ৰী গগৈ বৰুৱা, গড়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰী অনিন্দিতা বৰুৱাৰ পৰিচালনাত অনুষ্ঠিত প্ৰতিযোগিতাসমূহত ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাসমূহৰ ফলাফল অনুসৰি 'ক' শাখাৰ কবিতা আবৃত্তি প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে প্ৰজ্ঞাশ্ৰী ফুকনে। দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে—অংকিতা মহন আৰু কাব্যনীল মহনে। 'খ' শাখাৰ কবিতা আবৃত্তি প্ৰতিযোগিতাত প্ৰথম আৰু দ্বিতীয় স্থান লাভ কৰে ক্ৰমে সুপ্ৰিয়া বৰগোহাঁই আৰু জ্যোতিষ্মান মহনে। তৃতীয় স্থান যুটীয়াভাৱে লাভ কৰে উৰ্বশী ফুকন আৰু জ্ঞানশ্ৰী ফুকনে। আনহাতে, ঠাইতে ছবি আঁকা প্ৰতিযোগিতাৰ 'ক' শাখাত প্ৰথম আৰু দ্বিতীয় স্থান লাভ কৰে ক্ৰমে প্ৰজ্ঞাশ্ৰী ফুকন আৰু অংকিতা মহনে। তৃতীয় স্থান যুটীয়াভাৱে লাভ কৰে সোণচেং মহন আৰু ঋতুৰাজ মহনে। বিচাৰকৰ বিশেষ বঁটা লাভ কৰে ৰিয়াঞ্চ ফুকন, কস্তুৰী ফুকন, জ্ঞানদীপ মহন আৰু স্পৰ্শী মহনে। 'খ' শাখাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় বিজয়ীৰ সন্মান লাভ কৰে ক্ৰমে জ্ঞানশ্ৰী ফুকন, জ্যোতিষ্মান মহন আৰু উৰ্বশী ফুকনে। প্ৰতিযোগিতাৰ সামৰণিত মুকলি সভা তথা পৰিৱেশিক সজাগতা সভা অনুষ্ঠিত হয়। খুনলাই মহনে আঁতধৰা সভাত ভাৰতীয় জনতা পাৰ্টিৰ চৰাইদেউ জিলা কৃষাণ মৰ্চাৰ সভাপতি দেৱজিৎ চাউৰক, মহিলা মৰ্চাৰ কাৰ্যকৰ্তা অনামিকা ফুকন, বুথৰ সভাপতি বণিজ হাতীবৰুৱা, আপকুৰ সম্পাদক প্ৰধান শৰৎ শেনচোৱা, ভূৱন ফুকনে সন্মানীয় অতিথি হিচাপে বিশ্ব পৰিৱেশ দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ লগতে সুস্থ প্ৰাকৃতিক পৰিৱেশ বৰ্তাই ৰখাৰ ক্ষেত্ৰত জনসাধাৰণৰ দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে আলোকপাত কৰে। অনুষ্ঠানতে কবিতা আবৃত্তি আৰু ছবি আঁকা প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীসকলক অতিথিসকলৰ দ্বাৰা পুৰস্কাৰসমূহ প্ৰদান কৰা য়।